**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৭৮/২০১৯**

**<u>চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেক'ন'ল'জিৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ</u>**

# শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াক সমভাৱে আগুৱাই নি উন্নয়নৰ গতি ত্বৰান্বিত কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ ডিচেম্বৰ ঃ** 'অসমৰ সামগ্ৰিক উন্নয়ন দ্ৰুত কৰিব লাগিলে শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াক সমভাৱে আগুৱাই লৈ যাব লাগিব। অসমত প্ৰচুৰ পৰিমাণে মানৱ সম্পদ আৰু সম্ভাৱনা আছে। সেয়েহে মানৱ সম্পদক উপযুক্ত ভাবে বিকশাই তুলিবলৈ হ'লে আমি প্ৰকৃত পৰিকল্পনাৰে আগুৱাই যাব লাগিব। শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াই চহকী মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।' আজি কোকৰাঝাৰস্থিত চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেক'ন'ল'জিৰ ১৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শিক্ষক আৰু অভিভাৱক সকলে নৱ প্ৰজন্মক সঠিক দিশ নিৰ্দেশনা দিব লাগিব। শিক্ষা ক্ষেত্ৰত যাতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে উজলি উঠিব পাৰে তাৰ বাবে শিক্ষক আৰু অভিভাৱক সকলে প্ৰকৃত পথৰ সন্ধান দিয়াৰ উপৰি দাৰ্শনিকৰ ভূমিকাও ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেক'ন'ল'জি ক্ৰমান্বয়ে এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানলৈ ৰূপান্তৰ সাধন হৈছে। দেশৰ বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে এই শিক্ষা প্ৰতিষ্ঠানটোত একেলগে অধ্যয়নৰ সুযোগ লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিষ্ঠানটোক সমন্বয় আৰু সম্প্ৰীতিৰ এক শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে সঞ্চালক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়।

বিটিএডিৰ অধীনস্থ কোকৰাঝাৰকে ধৰি অন্য ৩ খন জিলা পূৰ্বতে অশান্ত জৰ্জৰ এলেকা হিচাপে কোৱা হৈছিল যদিও বৰ্তমান এই এলেকাটোত শান্তি আৰু উন্নয়নৰ প্ৰক্ৰিয়া দ্ৰুত হৈ পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীক ইয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিটিএডি প্ৰশাসনে উন্নয়নৰ নতুন মাত্ৰা সংযোজন কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিটিএডি প্ৰশাসনে এই এলেকাটোত শান্তিপূৰ্ণ সহাৱস্থানৰ পৰিৱেশ গঢ়ি তুলিছে আৰু ইয়াৰ ফলত বিচিএডি এলেকাত সমন্বয় আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ শক্তিশালী হৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ ৩৩ খন জিলাৰ সম-উন্নয়নৰ ওপৰত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে বিটিএডি এলেকাৰ ৪ খন জিলাৰ উন্নয়ন সুনিশ্চিত কৰাৰ বাবে চৰকাৰী আঁচনি সমূহৰ সঠিক ৰূপায়ণৰ বাবেও বিটিএডি কৰ্তৃপক্ষক অনুৰোধ জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে সকলো সংস্কৃতিতকৈ কৰ্ম সংস্কৃতি শ্ৰেষ্ঠ। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম কৰাৰ বাবে আহ্বান জনায় যাতে দেশৰ বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা যোগাবলৈ সক্ষম হয়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰৰ উন্নয়ন ক্ষিপ্ৰতৰ কৰাৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিক জীৱনৰ অংগ হিচাপে ল'বলৈও আহ্বান জনায়।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিষ্ঠানটোৱে এটা ইনকুৱেশ্যন চেন্টাৰৰ লেখীয়াকৈ কাম কৰি আছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে মানৱ সমাজৰ বিকাশৰ বাবে কাম কৰাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আগন্তুক দিনত এই প্ৰতিষ্ঠানটোৱে মানুহৰ জীৱন ধাৰা অধিক গতিশীল কৰাৰ বাবে দায়বদ্ধতাৰে কাম কৰিব লাগিব। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ উপৰি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

অনুষ্ঠানত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বিটিএডি এলেকাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ আলোকপাতেৰে বক্তব্য প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, বিটিচিৰ উপ-প্ৰধান খাম্পা বৰগয়াৰী, চি আই টিৰ সঞ্চালক অধ্যাপক ডি কে চক্ৰৱৰ্তী প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে আজি চেন্ট্ৰেল ইনষ্টিটিউট অৱ টেক'ন'ল'জিৰ ১৩৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া চতুৰ্থ একাডেমিক ব্লকৰ আধাৰশিলা স্থাপন কৰে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৬/১২/২০১৯**